No. of Printed Pages—5

82–85 (SSN 3)

[16–HRAGDA–M3]

MA 3rd Semester Exam., 2016

ASSAMESE

[MAS (S3) 12]

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

(সংস্কৃত সাহিত্যৰ নিৰ্বাচিত পাঠ)

১। তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ অতি চমু উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০টা শব্দৰ ভিতৰত) : ২×৫=১০

(ক) মহাকাব্যৰ লক্ষণ দুটামান উল্লেখ কৰক।

(খ) সংস্কৃত নাটকৰ প্ৰধান বৈশিষ্ট্যকেইটা লিখক।

(গ) 'ৰঘুবংশম্' মহাকাব্যৰ আধাৰগ্ৰন্থৰ বিষয়ে লিখক।

(ঘ) 'অভিজ্ঞানশকুন্তলম্' নাটকৰ নামকৰণৰ তাৎপৰ্য বিচাৰ কৰক।

(ঙ) 'কঞ্চুকী' মানে কি বুজে?

(চ) 'ৰূপক' বুলিলে কি বুজে?

২। তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১৫০টা শব্দৰ ভিতৰত) : ৪×৩=১২

(ক) 'সেতুবন্ধ' মহাকাব্যখনৰ বিষয়ে এটি টোকা লিখক।

(খ) মহাকবি ভাসে ৰচনা কৰা নাটককেইখনৰ নাম উল্লেখ কৰি সেইকেইখন নাটকৰ আধাৰগ্ৰন্থ কি আছিল, সেয়াও লিখক।

(গ) চম্পূকাব্য মানে কি বুজে? ইয়াৰ প্ৰধান বৈশিষ্ট্যসমূহ কি কি?

(ঘ) 'ৰঘুবংশম্'ৰ প্ৰথম আৰু দ্বিতীয় সৰ্গৰ নামকৰণ সম্পৰ্কে এটি টোকা লিখক।

৩। তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২৫০টা শব্দৰ ভিতৰত) : ৬×৩=১৮

(ক) 'ৰামায়ণ' মহাকাব্যখনৰ কিদৰে পৰ্যায়ক্ৰমে বিকাশ সাধন হৈছিল সেই বিষয়ে বহলাই আলোচনা কৰক।

(খ) সংস্কৃত সাহিত্যৰ বিভিন্ন গীতিকাব্যৰ উৎস, ভাগ আৰু শ্ৰেণীবিভাজনৰ বিষয়ে বহলাই লিখক।

(গ) চমু টোকা লিখক—বসন্তসেনা

(ঘ) 'মৃচ্ছকটিকম্' ৰূপকখনৰ ৰস বিচাৰ কৰক।

৪। তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০০টা শব্দৰ ভিতৰত) : ১০×৪=৪০

(ক) 'ৰামায়ণ' আৰু 'মহাভাৰত'ৰ এটি তুলনামূলক বিশ্লেষণ আগবঢ়াওক।

(খ) কালিদাস তথা তেওঁৰ সমসাময়িক মহাকবিসকলে ৰচনা কৰা মহাকাব্যসমূহৰ এটি আলচ যুগুত কৰক।

(গ) সংস্কৃত নাট্যসাহিত্যৰ শ্ৰেণীবিভাজন কৰি প্ৰতিটো ভাগৰে নাটকসমূহৰ বিশেষত্ব তথা উল্লেখযোগ্য নাট্যকাৰসকলৰ নাট্যকৰ্মৰ চমু আভাস দাঙি ধৰক।

(ঘ) 'ৰঘুবংশম্' মহাকাব্যখনত উদ্ভাসিত হোৱা মনোমোহা প্ৰকৃতিৰ চিত্ৰসমূহ বৰ্ণনা কৰি কাব্যখনৰ কাব্যিক সৌন্দৰ্য বিচাৰ কৰক।

(ঙ) 'অভিজ্ঞানশকুন্তলম্' নাটখনিৰ চৰিত্ৰ-চিত্ৰণ সম্পৰ্কে বহলাই আলোচনা কৰক।

(ধ্বনিতত্ত্ব আৰু অসমীয়া ধ্বনিতত্ত্ব)

১। তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০টা শব্দৰ ভিতৰত) : ২×৫=১০

(ক) ভাষাবিদ ৰমেশ পাঠকে অসমীয়া ভাষাৰ বিকাশৰ ধাৰাটোক কেইটা আৰু কি কি ভাগত ভাগ কৰিছে ?

(খ) বাংলা স্বৰধ্বনিৰ লগত জড়িত দুটামান বৈশিষ্ট্য উল্লেখ কৰক।

(গ) প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ অন্ত্য স্বৰধ্বনিসমূহ অসমীয়াত লোপ পাইছেনে ? উদাহৰণসহ উত্তৰ লিখক।

(ঘ) নাসিক্য ব্যঞ্জন বুলিলে কি বুজে ?

(ঙ) স্বৰসংযুতি বুলিলে কি বুজে ?

(চ) অসমীয়া ভাষাৰ ব্যঞ্জনধ্বনিবিলাকৰ প্ৰয়োগৰ কেইটামান বৈশিষ্ট্য উল্লেখ কৰক।

২। তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১৫০টা শব্দৰ ভিতৰত) : ৪×৩=১২

(ক) আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপি বুলিলে কি বুজে ?

(খ) 'ফ' আৰু 'ভ' মহাপ্ৰাণ ধ্বনিকেইটাৰ উপধ্বনিসমূহৰ বৰ্ণনা আগবঢ়াওক।

(গ) উষ্ম ব্যঞ্জন বুলিলে কি বুজে ? বুজাই লিখক।

(ঘ) বাংলা ভাষাৰ উদ্ভৱ সম্বন্ধে চমুকৈ লিখক।

৩। তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২৫০টা শব্দৰ ভিতৰত) : ৬×৩=১৮

(ক) চিত্ৰসহ বাগিন্দ্ৰিয়ৰ বৰ্ণনা দিয়ক।

(খ) অসমীয়া ভাষাৰ লয় বৰ্ণৰ বিষয়ে লিখক।

(গ) অসমীয়া স্বৰধ্বনিৰ ক্ৰমবিকাশত শ্বাসাঘাতৰ প্ৰভাৱ সম্পৰ্কে বুজাই লিখক।

(ঘ) ওড়িআ ভাষাৰ ধ্বনিতত্ত্বৰ বিষয়ে চমুকৈ লিখক।

৪। তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০০টা শব্দৰ ভিতৰত) : ১০×৪=৪০

(ক) স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিৰ এটি পৰিচয়াত্মক আলোচনা আগবঢ়াওক।

(খ) ব্যঞ্জনধ্বনিৰ শ্ৰেণীবিভাজন সম্বন্ধে বহলাই লিখক।

(গ) বিশিষ্ট স্বৰধ্বনিৰ উপধ্বনিসমূহৰ প্ৰয়োগ বৰ্ণনা কৰক।

(ঘ) অসমীয়া ভাষাৰ ব্যঞ্জনধ্বনিৰ ঐতিহাসিক ক্ৰমবিকাশ সম্বন্ধে আলোচনা আগবঢ়াওক।

(ঙ) অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ ধ্বনিতত্ত্বৰ এটি তুলনামূলক আলোচনা আগবঢ়াওক।

★★★